জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭/২০২১

# নুমলীগড় শোধনাগাৰ লিমিটেডৰ প্ৰাক্তন পৰিচালন সঞ্চালক ৰঞ্জিত কুমাৰ দত্তৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ মে' ঃ** নুমলীগড় শোধনাগাৰ লিমিটেডৰ প্ৰাক্তন পৰিচালন সঞ্চালক তথা অইল ইণ্ডিয়া লিমিটেডৰ প্ৰাক্তন অধ্যক্ষ আৰু পৰিচালন সঞ্চালক ৰঞ্জিত কুমাৰ দত্তৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কৰ্পোৰেট খণ্ডৰ এই সুদক্ষ বিষয়াগৰাকীৰ বিয়োগ ৰাজ্যখনৰ সমাজ জীৱনৰ বাবে বৃহৎ ক্ষতি। প্ৰয়াত দত্তই নুমলীগড় শোধনাগাৰ লিমিটেড তথা অইল ইণ্ডিয়া লিমিটেডৰ দৰে দুটা আগশাৰীৰ তৈল প্ৰতিষ্ঠানৰ শীৰ্ষ পদবীত কাৰ্যনিৰ্বাহ কৰি প্ৰতিষ্ঠান দুটাক আগবঢ়াই নিয়াৰ দিশত যথেষ্ট অৰিহণা আগবঢ়াই গৈছে।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ৰঞ্জিত কুমাৰ দত্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ**
**১৯/০৫/২০২১**